মূল্য ঃ ৩৫ টকা

উনচত্বাৰিংশ বছৰ ত্ৰয়োবিংশ সংখ্যা। ১-১৫ নৱেম্বৰ ২০২০

₹ 35.00

প্ৰান্তিক

পষেকীয়া আলোচনী

Vol. XXXIX No. 23 1-15 November 2020

Prantik

The Asomiya Fortnightly

নৱগিৰি পথ, চানমাৰি, গুৱাহাটী-৭৮১ ০০৩
ফোন ঃ ৭৬৩৭০১৪০৩৮ (সম্পাদনা)
৯৪৭৬৭৯৬০১৯ (ব্যৱস্থাপনা)

e-mail : prantikasomiya@gmail.com
website : www.prantikonline.com

প্ৰতিষ্ঠাপক মুখ্য সম্পাদক ঃ ভবেন্দ্ৰ নাথ শইকীয়া

Navagiri Road, Chanmari,
Guwahati-781003
Phone : **7637014038** (Editorial)
**9476796019** (Administrative)

## এই সংখ্যাত

কৃষি খণ্ডৰ সংস্কাৰ সাধনৰ দৃষ্টিৰে সংসদত গৃহীত আইন তিনিখনৰ জৰিয়তে কি পৰিৱৰ্তন আনিবলৈ বিচৰা হৈছে, সেই সম্পৰ্কে আলোকপাত কৰাৰ আৱশ্যকতা আছে। তিনিওখনৰ বিষয়ে সুকীয়া সুকীয়াকৈ আলোচনা কৰাৰ পূৰ্বে ক'ব লাগিব যে পৰিস্থিতিটো ১৯৯১ চনত কংগ্ৰেছৰ নৰসিংহ ৰাও চৰকাৰে গ্ৰহণ কৰা আৰ্থিক উদাৰীকৰণ নীতিৰ লেখীয়া। তেতিয়াৰ বিত্তমন্ত্ৰী ড° মনমোহন সিঙে বিপৰ্যস্ত হৈ পৰা ভাৰতীয় অৰ্থনীতিক উদ্ধাৰ কৰিবলৈ সংৰক্ষণ আৰু লাইছেঞ্চৰাজৰ শিকলি ছিঙি মুক্ত বাণিজ্যৰ দুৱাৰ খুলি দিছিল।

সমীক্ষণ শিতানত **ড° জয়কান্ত শৰ্মা**ৰ **কৃষি খণ্ডৰ সংস্কাৰ সাধন ঃ বিশ্বাস আৰু সংশয়** ।১১।

ভাইৰাছটো আৱিষ্কাৰ হ'ল, চিনাক্ত হ'ল, নামকৰণ হ'ল, কিন্তু এটা গুৰুত্বপূৰ্ণ সন্দেহৰ উদ্ৰেক হ'ল—এই ভাইৰাছটোৱে এককভাৱে হেপাটাইটিছ সংঘটিত কৰিব পাৰেনে? এই সন্দেহ নিবাৰণৰ কাৰণে বিজ্ঞানীসকলে পুনৰ অনুসন্ধান কৰিব লগা হ'ল ভাইৰাছটো প্ৰতিলিপিকৰণ আৰু এককভাৱে ৰোগ সংঘটনৰ কাৰণে সমৰ্থ হয়নে নহয়।

**ড° অমিয়া ৰাজবংশী**ৰ নিবন্ধ **ঃ ছিৰ'ছিছ, যকৃতৰ কেন্সাৰ আৰোগ্যসাধ্য হ'ল ঃ আৱিষ্কাৰ হ'ল হেপাটাইটিছ 'ছি' ভাইৰাছ** ।২০।

মানসিকভাৱে সবল, সচেতন আৰু সক্ৰিয় নোহোৱা কোনো জাতিয়ে ৰাজনৈতিক স্বাধীনতা লাভ কৰিলেও সৰ্বতোপ্ৰকাৰৰ বিকাশ লাভ কৰা সম্ভৱ নহয়। সেয়ে 'জোনাকী' যুগৰ বেজবৰুৱা প্ৰমুখ্যে সেই অসমীয়া যোদ্ধাসকলে জাতীয় চেতনা জগাই অসমীয়া মানুহক অজানিতেই ৰাজনৈতিক চেতনা আহৰণ কৰিব পৰাকৈ প্ৰস্তুত কৰি তুলিছিল। বেজবৰুৱাই যি সময়ত হাতত কলম তুলি লৈছিল, সেই সময়ত অসম ব্ৰিটিছৰ পৰাধীন হৈ আছিল আৰু বঙলা ভাষাৰ অধিপত্য বা প্ৰাধান্য আছিল।

**আকাশ প্ৰিয়ম**ৰ লেখা ঃ **বেজবৰুৱাৰ ৰচনাত দেশাত্মবোধ** ।৪০।

**পত্ৰালাপ।৪। সম্পাদকীয়।৫। প্ৰান্তীয় সংবাদ।১০। সমীক্ষণ ঃ কৃষি খণ্ডৰ সংস্কাৰ সাধন ঃ বিশ্বাস আৰু সংশয়।১১। বৈদেশিক ঃ ভাৰতীয় মালিকৰ অধীনত ইষ্ট ইণ্ডিয়া কোম্পানি।১৩। অসমত প্ৰকল্প ৰূপায়ণত বিলম্ব হোৱাৰ কাৰকসমূহ।১৫। পদাৰ্থবিজ্ঞানৰ ন'বেল বঁটা, ২০২০ ঃ কৃষ্ণগহ্বৰৰ ৰহস্য উদঘাটন ঃ তাত্ত্বিক আৰু ভৌতিক গৱেষণাৰ সাফল্য স্বীকৃতি।১৮। আৱিষ্কাৰ হ'ল হেপাটাইটিছ 'ছি' ভাইৰাছ ঃ ছিৰ'ছিছ, যকৃতৰ কেন্সাৰ আৰোগ্যসাধ্য হ'ল।২০। বিজ্ঞান-বৰ্ণালী ঃ ৰসায়নবিজ্ঞানৰ ন'বেল বঁটা-২০২০।২২। জ্ঞানাঞ্জন।২৬। অসমত নৱবৈষ্ণৱ আন্দোলন আৰু চাৰিজনা মহাপুৰুষ।২৮। স্বাস্থ্য ঃ কৰ্কট প্ৰতিহতকাৰী দুবিধ বিশেষ খাদ্য দ্ৰব্য।৩২। ক'ভিড-১৯ আৰু মৃগী ৰোগ।৩৪। অভিজ্ঞতা ঃ এলঝেইমাৰ ৰোগীৰ ঘৰুৱা পৰিচৰ্যা।৩৫। ছুড'কু।৩৬। ঘৰুৱা ঃ পিতৃ-মাতৃৰ বাধ্য সন্তান বনাম দুটা প্ৰজন্মৰ মাজৰ ব্যৱধান।৩৭। হজৰত আজান পীৰ দৰগাহ।৩৯। বেজবৰুৱাৰ ৰচনাত দেশাত্মবোধ।৪০। কিতাপৰ অমূল্য কথা।৪৪। অনুভৱ ঃ অভিভাৱক।৪৫। ৰসালাপ ঃ এলঝেইমাৰ।৪৬। ধাৰাবাহিক উপন্যাস ঃ যাত্ৰা।৪৭। কবিতা।৫২। গল্প ঃ নতুন দিল্লীৰ অৰণ্যত ৰহস্যময়ী ৰাজকুমাৰী।৫৪। উৎকোচ।৬০। ক্ৰীড়াংগন।৬৫। শেষপৃষ্ঠা।৬৬।**

## অহা সংখ্যাত

শ্বিলং চহৰখনৰ পুৰণি নাম ইউডু আছিল। ইয়াৰ খাছিয়া ভাষাত অৰ্থ হৈছে 'বজাৰ'। বুৰঞ্জীৰ তথ্য অনুসৰি ইংৰাজসকলে প্ৰথম অৱস্থাত শ্বিলং চহৰখনৰ নামটো 'ইউডু'ৰেই ৰাখিব খুজিছিল। পাছত কলকাতাৰ ইংৰাজ হাই কমিছনাৰে মেঘালয় ৰাজ্যৰ এই ঠাইখনৰ নাম 'ইউডু'ৰ সলনি নতুনকৈ 'SHYLLONG' বুলি থ'লে। ইয়াৰ অৰ্থ হ'ল 'VIRGIN MOTHERS"। গতিকে এই নামটোৰ পৰা 'E' আখৰটো আঁতৰাই 'E'ৰ ঠাইত 'I' আখৰটো ৰখা হ'ল।

**হেমন্ত বৰগোহাঁই**ৰ লেখা ঃ **শ্বিলঙৰ জন্ম ইতিহাস আৰু কিছু কথা।**

ইতিহাসৰ চৰ্চা ভূপেনদাৰ গীতৰ এটা উল্লেখযোগ্য দিশ। ইতিহাসক সমল কৰি লৈ গীতৰ মাজেৰে বুৰঞ্জী কোৱা অথবা লিখি থৈ যোৱা কামটো খুব কমসংখ্যক গীতিকাৰে কৰি থৈ গৈছে বুলি আমাৰ অনুমান হয়। অসম বুৰঞ্জীৰপৰা আৰম্ভ কৰি ভাৰত বুৰঞ্জীকে লৈ বিশ্ব ইতিহাসৰ সকলো ঘটনা তেখেতে তন্ন তন্নকৈ জানিছিল আৰু সেই জ্ঞান শুৱলা ভাষাৰে নিজৰ গীতত লিপিবদ্ধ কৰি গীতৰ লগতে সেই ইতিহাস অমৰ কৰি থৈ গৈছিল।

**জ্যোতিদেৱ গোস্বামী**ৰ নিবন্ধ ঃ **ভূপেনদাৰ গীতত ইতিহাসৰ চৰ্চা**

ড° তীৰ্থনাথ শৰ্মাই আউনীআটী সত্ৰৰ বুৰঞ্জীত লিখিছে—"কেইখনমান গাঁৱক গোট হিচাপে ধৰি গোটেই অসমৰ আউনীআটীৰ শিচ গাঁওবিলাকক কিছুমান সমষ্টিত বিভাজিত কৰা আছে। এনে সমষ্টি একোটাক চহৰ বোলে।' শিষ্যৰ কৰ-বৰঙণিৰ ওপৰতেই নিৰ্ভৰশীল সত্ৰসমূহত এনেদৰেই শিষ্যসকলক বিভাজিত কৰি একোখন চহৰৰ অন্তৰ্ভুক্ত কৰিছে আৰু ফলত চহৰ হৈ পৰিল সত্ৰ আৰু শিষ্যৰ সম্বন্ধৰ এডাল এনাজৰী সদৃশ।

**কমল দত্ত**ৰ ঃ **সত্ৰীয়া ব্যৱস্থাপনাত 'চহৰ' ঃ সত্ৰ আৰু শিষ্যৰ সম্বন্ধৰ এডাল এনাজৰী**

কাৰ্যবাহী সম্পাদক ঃ **ইমৰান হুছেইন** সহকাৰী সম্পাদক ঃ **বলেন দত্ত** ব্যৱস্থাপনা ঃ **মায়া বৰুৱা, প্ৰসন্ন শৰ্মা**
ডিটিপি ছেটিং ঃ **কুমুদ শৰ্মা, কিশোৰ ডেকা, জয়ন্ত বৰুৱা** সহযোগী ঃ **কেশৱ বৰ্মন, দিলীপ তালুকদাৰ**
**প্ৰদীপ বৰুৱা**ৰদ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত।
মুদ্ৰাংকন ঃ শৰাইঘাট অফছেট প্ৰেছ, শৰাইঘাট ফট'টাইপছ প্ৰা.লি., বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১